জনসাধাৰণ ২৫/৯

# এন আৰ চিৰ কামত স্থবিৰতা

## ধনৰ নাটনি, কেন্দ্ৰই দিয়া পুঁজি মোকলাই দিয়া নাই বিত্ত বিভাগে, দুমাহে দৰমহা নাই কৰ্মচাৰীৰ

স্টাফ ৰিপৰ্টাৰ, ২৪ ছেপ্টেম্বৰ ঃ মুখ্য মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰাৰ পিছদিনাই এন আৰ চিৰ ৰাজ্যিক সমন্বয়কৰ কাৰ্যালয়লৈ গৈ নাগৰিকপঞ্জী উন্নীতকৰণত নতুন চৰকাৰখনে সৰ্বোচ্চ অগ্ৰাধিকাৰ দিব বুলি ঘোষণা কৰা সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে ৰহস্যজনকভাৱে এন আৰ চি উন্নীতকৰণ প্ৰক্ৰিয়াটোক অৱহেলা কৰিবলৈ আৰম্ভ কৰিছে। ৰাজহ চক্ৰ বিষয়াক বদলি কৰি মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধীনস্থ পাৰ্ছনেল বিভাগে এন আৰ চি উন্নীতকৰণৰ গুৰুত্বপূৰ্ণ পৰ্যায় নথি পৰীক্ষণত ৮ পৃষ্ঠাত

## এন আৰ চিৰ কামত স্থবিৰতা

স্থবিৰতাৰ সৃষ্টি কৰাৰ পিছত এইবাৰ অৰ্থাভাৱত বাধাগ্ৰস্ত হৈছে এন আৰ চি উন্নীতকৰণৰ কাম-কাজ। এন আৰ চিৰ ৰাজ্যিক সমন্বয়কৰ কাৰ্যালয়ৰ এটা সূত্ৰৰ মতে বিগত দুমাহ ধৰি তেওঁলোক ভয়াবহ অৰ্থ নাটনিৰ সন্মুখীন হৈছে। উচ্চতম ন্যায়ালয়ৰ তদাৰকত চলি থকা এন আৰ চি উন্নীতকৰণৰ কাম-কাজ পৰিচালনাৰ বাবে সকলো খৰচ কেন্দ্ৰীয় চৰকাৰে যোগান ধৰে। এন আৰ চি উন্নীতকৰণৰ সময়সীমা বৃদ্ধি কৰাৰ ফলত অধিক ধনৰ প্ৰয়োজন হোৱাত ৮ জুলাইত মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কেন্দ্ৰীয় গৃহমন্ত্ৰীক সাক্ষাৎ কৰি ৭৯৩.৮৯ কোটি টকাৰ সংশোধিত বাজেট দাখিল কৰে। প্ৰাপ্ত খবৰ মতে এই প্ৰস্তাবৰ পিছত কেন্দ্ৰই প্ৰায় ২০০ কোটি টকা এন আৰ চি উন্নীতকৰণৰ বাবদ খৰচ কৰিবলৈ ৰাজ্য চৰকাৰক আবণ্টন দিয়ে। কিন্তু এন আৰ চি উন্নীতকৰণত সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়াৰ কথা কোৱা সৰ্বানন্দ সোণোৱাল চৰকাৰৰ বিত্ত বিভাগে ইয়াৰ সামান্য অংশহে মোকলাই দিয়া বুলি এন আৰ চিৰ ৰাজ্যিক সমন্বয়কৰ কাৰ্যালয়ৰ সূত্ৰটোৱে জানিবলৈ দিছে। ফলত এন আৰ চিৰ ৰাজ্যিক সমন্বয়কৰ কাৰ্যালয়ৰ অধীনত কৰ্মৰত প্ৰায় ১২০০ ঠিকাভিত্তিক কৰ্মচাৰীৰ দৰমহা বিগত দুমাহ ধৰি বন্ধ হৈ আছে। ভাৰাঘৰত থাকি এন আৰ চি কামত জড়িত হৈ থকা জিলা প্ৰকল্প ছুপাৰভাইজৰ, চক্ৰ প্ৰকল্প ছুপাৰভাইজৰ, কনিষ্ঠ সহায়ক, কম্পিউটাৰ অপাৰেটৰসকলে দুমাহ দৰমহা নোপোৱাকৈ থাকি যে ইমানদিনে কৰি অহা নিষ্ঠা আৰু দায়বদ্ধতাৰে কাম কৰিব নোৱাৰে তাত সন্দেহ নাই। সাধাৰণতে একোজন চক্ৰ প্ৰকল্প ছুপাৰভাইজৰে তেওঁৰ অধীনত থকা ৮-১০টা সেৱা কেন্দ্ৰৰ তদাৰক কৰিব লাগে। তাৰ বাবে চক্ৰ প্ৰকল্প ছুপাৰভাইজৰসকলক একোখন গাড়ী দিয়া হৈছে। কিন্তু ধনৰ নাটনিৰ বাবে ৰাজ্যিক সমন্বয়কৰ কাৰ্যালয়ে গাড়ীবোৰ চলাবৰ বাবে তেল যোগান ধৰিব পৰা নাই। ফলত চক্ৰ প্ৰকল্প ছুপাৰভাইজৰসকলৰ বাবে সেৱা কেন্দ্ৰসমূহলৈ গৈ কাম-কাজৰ তদাৰক কৰাটো একপ্ৰকাৰ অসম্ভৱ হৈ পৰিছে। আন এক খবৰ মতে এন আৰ চিৰ তথ্য-প্ৰযুক্তি সম্পৰ্কীয় কাম কৰি থকা উইপ্ৰ'ক চাৰি মাহ ধৰি ৰাজ্যিক সমন্বয়কৰ কাৰ্যালয়ে ধনৰ যোগান ধৰিব পৰা নাই। ফলত উইপ্ৰ'ৰ অধীনত কৰ্মৰত কেবাহাজাৰ কৰ্মচাৰীয়ে চাৰি মাহ ধৰি দৰমহা লাভ কৰা নাই। দৰমহা নাপাই একাংশ নৈশ চকীদাৰে কামত গাফিলতি কৰা বাবে বহুকেইটা সেৱা কেন্দ্ৰৰপৰা কম্পিউটাৰ, প্ৰিন্টাৰ আদি চুৰি হোৱাৰ দৰে ঘটনা ঘটা বুলিও জানিব পৰা গৈছে। আনহাতে ৰাজ্য চৰকাৰৰ যিসকল কৰ্মচাৰীক এন আৰ চিৰ কামত নিয়োজিত কৰা হৈছে তেওঁলোকক প্ৰথম অৱস্থাত কিছু পাৰিতোষিক আদায় দিয়া হৈছিল যদিও পৰৱৰ্তী সময়ত সেয়া ধনৰ অভাৱত বন্ধ কৰি দিয়া হয়। ১৫ আগষ্টত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ২০১৭ চনৰ ভিতৰত এন আৰ চিৰ কাম শেষ হ'ব বুলি ঘোষণা কৰিছে। কিন্তু কেন্দ্ৰৰপৰা ধন অহাৰ পিছতো ৰাজ্য চৰকাৰে মোকলাই নিদিয়া ঘটনাই চৰকাৰখনৰ দুমুখীয়া নীতিক প্ৰমাণ কৰা বুলি চৰ্চা হৈছে। নাগৰিকত্ব (সংশোধনী) বিধেয়ক গৃহীত হোৱাৰ পিছত হিন্দু বাংলাদেশীয়ে নাগৰিকত্ব নোপোৱালৈকে এন আৰ চিৰ কাম স্থবিৰ কৰি তুলিব বিচৰা হৈছে নেকি বুলি প্ৰশ্ন উত্থাপন হৈছে।